# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - - - - - - -

১।　অসমৰ বান পৰিস্থিতি অপৰিৱৰ্তিত। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিত সন্দৰ্ভত আলোচনা।

২।　ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীৰ উজনি অসমৰ বান পৰিস্থিতি পৰ্যালোচনা। উদ্ধাৰ আৰু সাহায্য অভিযান দ্ৰুত কৰি তোলাৰ নিৰ্দেশ।

৩।　নিটি আয়োগৰ **সম্পূৰ্ণতা অভিযান**ৰ অধীনত ৰাজ্যৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত। গোৱালপাৰা আৰু বাক্সা জিলাত অভিযানৰ শুভাৰম্ভ।

৪।　অহা ২২ জুলাইৰ পৰা সংসদৰ বাজেট অধিবেশন। ২৩ জুলাইত ২০২৪-২৫ বৰ্ষৰ বিত্তীয় বাজেট দাখিল।

**আৰু**

৫।　ভাৰত-জিম্বাব'ৱেৰ মাজত অনুষ্ঠিত প্ৰথমখন টি-টুৱেণ্টি খেলত ভাৰতক জয়ৰ বাবে জিম্বাব'ৱেৰ ১১৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

অসমত বছৰৰ দ্বিতীয়টো বানত ৩০ খন জিলাৰ ২৪ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। বিগত ২৪ ঘণ্টাত বানত ৰাজ্যখনত কোনো লোকৰ মৃত্যু হোৱা নাই। গুৱাহাটী মহানগৰীত বৰষুণৰ পানীয়ে সৃষ্টি কৰা বানত স্বাভাৱিক জীৱন যাত্ৰা বিঘ্নিত হৈছে। মহানগৰখনৰ বিভিন্ন পথ-উপপথত পানী জমা হৈ থকাত যাতায়াতত অসুবিধাৰ সৃষ্টি হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিয়া আগজাননী অনুসৰি উজনি অসমৰ বিভিন্ন স্থানত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। শেহতীয়া বানত ৰাজ্যখনৰ প্ৰায় ৪৭ হাজাৰ লোকে ঘৰ-বাৰী পানীত বুৰ যোৱাত সাময়িকভাৱে সাহায্য শিবিৰত আশ্ৰয় ল'বলগীয়া হৈছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কমেও ১০০টা বন্য জন্তুক উদ্ধাৰ কৰিছে। আনহাতে বানত উদ্যানখনৰ প্ৰায় ৯০টা জন্তুৰ মৃত্যু হৈছে। বানৰ সময়ত কাৰ্বি পাহাৰলৈ যোৱা বন্য জন্তু উদ্যান কৰ্তৃপক্ষই ড্ৰোনৰ সহায়ত নিৰীক্ষণ কৰি উদ্ধাৰৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতেযোগে ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। গৃহমন্ত্ৰীগৰাকীয়ে অসমৰ বাবে এই প্ৰত্যাহ্বানপূৰ্ণ সময়ত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সম্ভৱপৰ সকলো সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। এন ডি আৰ এফ আৰু এছ ডি আৰ এফে যুদ্ধকালীন তৎপৰতাৰে বানত ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্ধাৰ আৰু তেওঁলোকক সাহায্য প্ৰদানৰ বাবে কাম কৰি থকাৰ কথাও শ্ৰীশ্বাহে উল্লেখ কৰে।

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ডিব্ৰুগড় পৌৰ নিগমৰ কাৰ্যালয়ত পাৰিষদসকলৰ লগত এখন বৈঠকত মিলিত হৈ জিলাখনৰ কৃত্ৰিম বানপানীৰ সমস্যা আৰু সমাধানৰ ক্ষেত্ৰত মতামত গ্ৰহণ কৰে। এই ক্ষেত্ৰত সমস্যাসমূহৰ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন সমাধানৰ ক্ষেত্ৰত লাভ কৰা পৰামৰ্শসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰাব বুলি জানিবলৈ দিয়ে। এই বৈঠকত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি জিলাখনৰ আয়ুক্ত, মেয়ৰ আৰু প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বান পৰিস্থিতি সন্দৰ্ভত এয়া তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰানৰ প্ৰতিবেদন -

**ভইচ**

শিক্ষা জনজাতি পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত আয়ুক্তসকল, ৰাজহ চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত শেহতীয়া বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। বৈঠকৰ আৰম্ভণিতে জিলা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এতিয়ালৈকে হোৱা ক্ষয়-ক্ষতিৰ সন্দৰ্ভত বিস্তৃত প্ৰতিবেদন দাঙি ধৰে। মন্ত্ৰী ডাঃ পেগুৱে সম্পূৰ্ণ উদাৰ, মানৱীয় দৃষ্টিভংগীৰে তথা দায়বদ্ধতাৰে বানত ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য আৰু পুনৰ সংস্থাপন দিয়াৰ বাবে কাম কৰিবলৈ বিষয়াসকলক আহ্বান জনায়।

জল সম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি মৰিগাঁও জিলাৰ মায়ং ৰাজহ চক্ৰৰ অধীনত চনকা অঞ্চল পৰিদৰ্শন কৰি বান আৰু খহনীয়াৰ সামগ্ৰিক পৰিস্থিতি নিৰীক্ষণ কৰে। মন্ত্ৰীগৰাকীৰ লগত জিলাখনৰ আয়ুক্ত দেৱাশিষ শৰ্মাই অঞ্চলটো পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়।

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে আজি চৰাইদেউ জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে আশ্ৰয় শিবিৰসমূহত খাদ্য-সামগ্ৰী বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে ক্ষতিগ্ৰস্ত লোকসকলৰ চিকিৎসা, খোৱাপানী, খাদ্য-সামগ্ৰী, পশু খাদ্য আদিৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, বানত মৃত্যু হোৱা লোকৰ নিকটাত্মীয়ই অতি সোনকালে ক্ষতিপূৰণ লাভ কৰিব।

বৰপেটা জিলাৰ বান পৰিস্থিতি পূৰ্বৰ তুলনাত সামান্য উন্নত হৈছে বুলি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জানিবলৈ দিছে। জিলাখনত বান ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত সাহায্য-সামগ্ৰী বিতৰণ, মানুহৰ লগতে পোহনীয়া জন্তুক চিকিৎসা প্ৰদান আদি ত্বৰান্বিত কৰা হৈছে।

কৰিমগঞ্জ জিলাৰ প্ৰায় ৪৯ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত বৰ্তমান ৪০টা সাহায্য শিবিৰ স্থাপন কৰি প্ৰায় ২ হাজাৰ ৫০০ লোকক আশ্ৰয় দিয়াৰ ব্যৱস্থা কৰা হৈছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ সকলো চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠান পৰৱৰ্তী জাননী প্ৰকাশ নকৰা পৰ্যন্ত বন্ধ ঘোষণা কৰা হৈছে। শোণিতপুৰ জিলাতো বানৰ ফলত প্ৰায় ২ হাজাৰ বিঘাৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনে নৈপৰীয়া অঞ্চলৰ লোকসকলক সাৱধানে থাকিবলৈ নিৰ্দেশ দিছে। বৰছলা সমষ্টিৰ ঝাৱনিচাপৰি, কোঁচগাঁও, ভুটুৰা আৰু তেজপুৰ সমষ্টিৰ তলকলিবাৰী, গেৰেকি, দ-বেছেৰীয়া, আৰিমৰা চাপৰি আদি গাঁৱৰ প্ৰায় ২০০ৰো অধিক ঘৰ বানৰ কবলত পৰিছে। আজি জিলাখনৰ নদীসমূহৰ গতিবিধি সন্দৰ্ভত জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাই বুজ লৈ বালিপৰাৰ জৰাসৰ নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবে জিঅ' বেগৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰে। এই বাৰিষাৰ পাছতেই তেজপুৰ, বিহগুৰি, ঝাৱনিচাপৰি পৰ্যন্ত ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ স্থায়ী শিল বান্ধ আৰু ৰাস্তা নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০

রাজ্যৰ উদোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই আজি যোৰহাট আৰৰ্ত ভৱনত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। এই সভাত সাম্প্ৰতিক বান পৰিস্থিতি আৰু ইয়াৰ জোৰা মৰাৰ বাবে ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ ক্ষয়-ক্ষতিৰ সম্পৰ্কত বুজ লৈ সংশ্লিষ্ট সকলো বিভাগকে দুৰ্যোগৰ সময়ত জনসাধাৰণৰ কাষত থাকি সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিয়ে। তদুপৰি ক্ষতিগ্ৰস্ত ৰাইজে যাতে সাহায্য, চিকিৎসাসেৱা, বিশুদ্ধ খোৱাপানীকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী লাভ কৰিব পাৰে তাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে বাট পথ, বিদ্যালয়, আৰু ৰাজহুৱা সম্পত্তিৰ ক্ষয় ক্ষতিৰ হিচাপে সঠিকভাৱে নিৰূপণ কৰি ক্ষতিপূৰণ নাইবা পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে পৰামৰ্শ দিয়ে। তেওঁ জলসম্পদ, লোকনিৰ্মাণ, কৃষি, চিকিৎসা, পশু চিকিৎসা, শক্তি আদি বিভাগক সকলো সময়তে সাজু হৈ থাকি জনসাধাৰণক সেৱা আগবঢ়াবলৈ আহ্বান জনায়। সভাখনত জিলাখনৰ আয়ুক্তই সাম্প্ৰতিক বানত যোৰহাট জিলাত হোৱা ক্ষয়-ক্ষতি আৰু সাহায্য  বিতৰণ সন্দৰ্ভত বিতং তথ্য প্ৰকাশ কৰে। এই সভাত যোৰহাটৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু দেৰগাওঁৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভড়ালীৰ লগতে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। গোৱালপাৰা জিলাৰ লক্ষীপুৰত আজি এই অভিযানৰ কাৰ্যসূচী আৰম্ভ হৈছে। গোপীনাথ বৰদলৈ সভাঘৰত এই উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী, উন্নয়ন আয়ুক্ত ৰঞ্জিত কোঁৱৰ, নিটি আয়োগৰ পৰ্যবেক্ষক আৰু জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, সমাজ কল্যাণ বিষয়া, কৃষি বিষয়া আদিৰ লগতে আন কেইবাটাও বিভাগৰ বিষয়া তথা কৰ্মচাৰীসকলক উপস্থিত থাকে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি লক্ষীপুৰ চহৰৰ মাজেৰে সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়।

বাক্সা জিলাৰ বৰমাত আজি এই অভিযান আৰম্ভ কৰি এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। জিলাখনৰ বৰমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত বি টি চিৰ অধ্যক্ষ কাতিৰাম বড়োৱে এই অভিযান মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত কৃষ্ণা বৰুৱা উপস্থিত থাকে। ইপিনে জিলাখনৰ সদৰ মুছলপুৰতো নিটি আয়োগৰ অধীনত **সম্পূৰ্ণতা অভিযান**ৰ সৈতে সংগতি ৰাখি এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত অধ্যক্ষ কাতিৰাম বড়োৱে অংশগ্ৰহণ কৰি জিলাখনক শিক্ষা, স্বাস্থ্য আদি সকলো দিশতেই আগবঢ়াই নিবলৈ চেষ্টা অব্যাহত ৰাখিব বুলি মন্তব্য কৰে।

অসমত **সম্পূৰ্ণতা অভিযানে** বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা, ওদালগুৰি, ডিমা হাচাও আৰু হাইলাকান্দিৰ কেইবাটাও উন্নয়ন খণ্ডক সামৰি লৈছে। সকলো অভিলাষী জিলা আৰু খণ্ডত ১২টা মূল সামাজিক খণ্ডৰ সূচকৰ ক্ষেত্ৰত ১০০ শতাংশ পৰিপূৰ্ণতা লাভ কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা এই অভিযান অহা ৩০ ছেপ্তেম্বৰলৈকে চলিব।

এই অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ

আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পৌষ্টিক আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব।

০০০০০

সংসদৰ বাজেট অধিবেশন অহা ২২ জুলাইত আৰম্ভ হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে এই অধিবেশনৰ ১২ আগষ্টত সামৰণি পৰিব। ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সদনত দাখিল কৰিব। শ্ৰীৰিজিজুৱে কয় যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শমৰ্মে সংসদৰ বাজেট অধিবেশনৰ বাবে দুয়োখন সদনক আহ্বান জনোৱা প্ৰস্তাৱত অনুমোদন জনাইছে। বিত্ত মন্ত্ৰী সীতাৰমনে লোকসভা নিৰ্বাচনৰ পূৰ্বে অন্তৰ্বৰ্তী বাজেট উত্থাপন কৰিছিল। এইবাৰৰ বাজেটে দেশৰ দ্ৰুত উন্নয়নৰ ধাৰা অব্যাহত ৰাখিব পৰাকৈ বিভিন্ন সুবিধা নিশ্চিত কৰাৰ লগতে অধিক নিয়োগৰ সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে পৰৱৰ্তী ৫ টা বছৰ ভাৰতে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত নিৰ্ণায়ক হব বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় অৰ্থনীতিয়ে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৮ দশমিক ২ শতাংশ হাৰত বিকাশ লাভ কৰাৰ সময়ত এইবাৰৰ বাজেটে গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে। সম্প্ৰতি বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে বিবেচিত ভাৰতৰ মুদ্ৰাস্ফীতি ৫ শতাংশতকৈ নিম্নগামী হৈছে।

০০০০০

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰি প্ৰতিবছৰে স্নাতক পাঠ্যক্ৰমত ১০০ খন আসনত নামভৰ্তিত অনুমোদন জনাইছে। ইয়াৰ ফলত ৰাজ্যখনত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১৩ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰি ৰাজ্যৰ চিকিৎসা ব্যৱস্থাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেঁও লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো কৃতজ্ঞতা জ্ঞাপন কৰে। ড° শৰ্মাই কয় যে চিকিৎসা ক্ষেত্ৰত এই মাইলৰ খুটিয়ে ৰাজ্যত স্বাস্থ্য সেৱা, শিক্ষা আৰু সেৱা সম্প্ৰসাৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হ'ব।

০০০০০

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষা সেঁতু এপত ৩৩ খন জিলাৰ ৪ হেজাৰ ৯০৭ গৰাকী শিক্ষক দীৰ্ঘদিন ধৰি অনুপস্থিত থকাটো ধৰা পেলাইছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে দায়িত্বৱাহী অতিৰিক্ত জিলা আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত সংশ্লিষ্ট শিক্ষকসকলৰ অনুপস্থিতি সন্দৰ্ভত বিদ্যালয় পৰিদৰ্শক নাইবা জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ সহযোগত অনুসন্ধান কৰি অনুপস্থিতিৰ কাৰণসহ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে প্ৰতিবেদন দাখিল নকৰা পৰ্যন্ত এইসকল শিক্ষকৰ দৰমহা বন্ধ ৰাখিবলৈ নিৰ্দেশনাত উল্লেখ কৰা হৈছে। বিদ্যালয় শিক্ষা বিভাগৰ তথ্য অনুসৰি তিনিচুকীয়া জিলাত সৰ্বাধিক ৪২৪ জন শিক্ষক শিক্ষা সেঁতু এপত দীৰ্ঘদিন ধৰি অনুপস্থিত হৈ আছে। একেদৰে কামৰূপ মহানগৰ জিলাত ২৯৪, ধুবুৰীত ২৮৬, নগাওঁত ২৫৯, গোৱালপাৰাত ২৪৫, কৰিমগঞ্জত ২০২ আৰু কোকৰাঝাৰত ২০০ জন শিক্ষক শিক্ষা সেঁতু এপত অনুপস্থিত থকাটো চিনাক্ত হৈছে।

০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে আজি ৰাষ্ট্ৰীয়তাবাদী চিন্তাবিদ তথা  শিক্ষাবিদ ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জন্মবাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টুইটাৰযোগে শক্তিশালী ৰাষ্ট্ৰীয়তাবাদী দৃষ্টিভংগীৰে ভাৰতক গৌৰৱান্বিত কৰা ড° মুখাৰ্জীৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ কথা উল্লেখ কৰিছে। তেওঁ কয় যে, মাতৃভূমিৰ বাবে তেওঁৰ নিষ্ঠা আৰু ত্যাগে দেশবাসীক সদায়ে অনুপ্ৰাণিত কৰি ৰাখিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি দলৰ মুখ্য কাৰ্যালয়ত ড° মুখাৰ্জীৰ প্ৰতিমুৰ্তিত মাল্যাৰ্পন কৰি তেওঁৰ জন্মবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধা তৰ্পন কৰে। শ্ৰীনাড্ডাই কয় যে, ড° মুখাৰ্জীয়ে ৰাষ্ট্ৰ প্ৰথম নীতি অনুসৰণ কৰি ৰাষ্ট্ৰৰ মহিমা আৰু সাৰ্বভৌমত্বৰ বাবে সকলো ত্যাগ কৰিছিল। তেওঁ লগতে কয় যে, কাশ্মীৰেই হওক বা বংগই হওক, দেশৰ অখণ্ডতা ৰক্ষাৰ ক্ষেত্ৰত ড° মুখাজীৰ ত্যাগক কেতিয়াও পাহৰিব নোৱাৰি আৰু তেওঁৰ সংগ্ৰাম, নিষ্ঠা তথা অপৰিসীম অৱদান দেশবাসীৰ বাবে সদায় পথ প্ৰদৰ্শক হৈ থাকিব।

ooooo

হাৰাৰেত চলি থকা ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি মেচৰ শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দলটোৱে ভাৰতক জয়ৰ বাবে ১১৬ ৰাণৰ লক্ষ্য বান্ধি দিছে। ভাৰতে টছত জিকি জিম্বাব'ৱেক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১১৫ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবি বিষ্ণয়ে সৰ্বাধিক চাৰিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে বাতৰি লিখা পৰলৈকে ৫ অভাৰত ৪টা উইকেট হেৰুৱাই ২২ ৰাণ কৰি খেলি আছে। উল্লেখযোগ্য যে অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ এই খেলখনত অভিষেক ঘটিছে।

ooooo

উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত আজি দ্বিতীয় বাছনিৰ ভাৰতৰ ৰোহন বোপান্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীয়ে জাৰ্মানীৰ হেণ্ড্ৰিক জেবেঞ্চ আৰু কনষ্টেনটিন ফ্ৰেনজেনৰ বিৰুদ্ধে খেলিব। বোপান্না-এবডেন যুটীয়ে নেডাৰলেণ্ডছৰ ৰবান হাছ আৰু ছেণ্ডাৰ এৰেণ্ডছক ৭-৫, ৬-৪ ছেটত পৰাজিত কৰি দ্বিতীয় ৰাউণ্ডত অগ্ৰগতি লাভ কৰে।

পুৰুষৰ ছিংগলছত আজি পুৰা শীৰ্ষ বাছনিৰ জেনিক ছিনাৰে অবাছনি প্ৰাপ্ত ছাৰ্ব মিয় মিৰ কেকমেন ভিছক ৬-১, ৬-৪, ৬-২ ছেটত পৰাজিত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছত শীৰ্ষ বাছনিৰ আইগা ছিৱাটেকে তৃতীয় ৰাউণ্ডত য়োলিয়া পুটিনছেভাৰ বিৰুদ্ধে খেলিব।

ooooo

সমাপ্ত